চতুৰ্দশ অধ্যায়

# চৰকাৰী বাজেট
# (The Public Budget)

সাম্প্ৰতিক কালৰ চৰকাৰী বিত্ত ব্যৱস্থাৰ স্নায়ুকেন্দ্ৰ হৈছে চৰকাৰী বাজেট। বাজেট হৈছে চৰকাৰৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰধান আহিলা। অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বিভিন্ন আঁচনি ৰূপায়ণৰ অৰ্থে বাজেট নীতি প্ৰণয়ন আৰু উক্ত নীতিৰ আধাৰত বাজেট প্ৰস্তুত কৰাতো পৃথিবীৰ প্ৰতিখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ চৰকাৰৰ বিত্ত ব্যৱস্থাৰ প্ৰধান বিষয়বস্তু হৈ পৰিছে। বাজেট শব্দটোৰ উৎস হৈছে ফৰাচী শব্দ "Bougeti"।[1] এই শব্দটোৰ অৰ্থ হৈছে ক্ষুদ্ৰ চামৰাৰ মোনা। অৱশ্যে সাম্প্ৰতিক কালৰ চৰকাৰে প্ৰস্তুত কৰা বাজেটত চৰকাৰৰ ক্ষুদ্ৰ বিত্তীয় বিলৰ পৰিবৰ্তে বৃহৎ বিত্তীয় বিল অন্তৰ্ভুক্ত হৈ থাকে।

**বাজেটৰ সংজ্ঞা (Definition of Budget) :** বাজেট শব্দটো সকলো লেখকে একে অৰ্থত ব্যৱহাৰ কৰা নাই আৰু সকলোবোৰ দেশতে একে অৰ্থত ব্যৱহাৰো নহয়। অৰ্থনীতিবিদ চি. এফ. বেষ্টেবল (C. F. Bastable) ৰ মতে[1] বাজেটত এক নিৰ্দিষ্ট সময়ৰ বিত্তীয় ব্যৱস্থা অন্তৰ্ভুক্ত হয় যিখিনি দেশৰ সংসদৰ অনুমোদনৰ কাৰণে উত্থাপন কৰা হয়। আৰ. ষ্টৰমে (R. Stourm)[2] আগবঢ়োৱা সংজ্ঞা অনুসৰি চৰকাৰ বা ৰাষ্ট্ৰৰ বাজেট হৈছে এনে নথি-পত্ৰ যিবোৰত প্ৰাথমিক অনুমোদন লাভ কৰা ৰাজহুৱা আয় আৰু ব্যয়ৰ তথ্য অন্তৰ্ভুক্ত হয়। বাজেটৰ বিষয়ে বিভিন্ন অৰ্থনীতিবিদে যিবোৰ সংজ্ঞা আগবঢ়াইছে উক্ত সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্ট হয় যে বাজেট হৈছে বিভিন্ন ক্ষেত্ৰ আৰু উদ্দেশ্যত ব্যৱহাৰৰ অৰ্থে ৰাজহ সংগ্ৰহৰ এটা প্ৰক্ৰিয়া। অৱশ্যে এইটো উল্লেখযোগ্য যে চৰকাৰে গঠন কৰা এখন বাজেট দেশখনৰ সমুদায় অৰ্থনীতিৰ আয়-ব্যয়ৰ এটা পূৰ্ণাংগ হিচাপ নহয়। কাৰণ চৰকাৰী বাজেটৰ পৰা দেশখনৰ সম্পত্তি আৰু দায়িত্বসমূহৰ বিষয়ে এখন স্পষ্ট ছবি দেখা পোৱা নাযায়। চৰকাৰী বাজেটত কেৱল যিটো বছৰৰ কাৰণে বাজেট প্ৰস্তুত কৰা হয় উক্ত বছৰটোৰ আয়-ব্যয়হে অন্তৰ্ভুক্ত হয়। প্ৰকৃতপক্ষে ক'বলৈ গ'লে চৰকাৰী বাজেট হৈছে চৰকাৰৰ এটা বাৰ্ষিক বিত্তীয় পৰিকল্পনা। উক্ত বিত্তীয় পৰিকল্পনাত বছৰটোৰ ভিতৰত হ'বলগীয়া চৰকাৰৰ আয়-ব্যয়সমূহ অন্তৰ্ভুক্ত হয়। চৰকাৰে প্ৰস্তুত কৰা বাজেট পুস্তিকাৰ আকাৰত প্ৰস্তুত কৰা হয় আৰু উক্ত পুস্তিকাত চৰকাৰৰ আয়-ব্যয় আঁচনিসমূহৰ বিতং বিৱৰণ অন্তৰ্ভুক্ত হয়। বাজেট পুস্তিকাৰ অন্তৰ্ভুক্ত হোৱা আয়-ব্যয় ব্যৱস্থাসমূহৰ অনুমোদন লাভ কৰিবৰ অৰ্থে দেশৰ সংসদৰ ওচৰত দাখিল কৰা হয়। সংসদৰ অনুমোদন লাভ কৰাৰ পূৰ্বে বাজেটত অন্তৰ্ভুক্ত হোৱা আয়-ব্যয়ৰ ব্যৱস্থাসমূহক বাজেট প্ৰস্তাৱনা আখ্যা দিয়া হয়।

1. 2. H. L. Lutz—Public Finance. P-645.

চৰকাৰী বাজেটৰ বিষয়ে অৰ্থনীতিবিদসকলে আগবঢ়োৱা সংজ্ঞাৰ বিষয়ে আলোচনা কৰিলে এনে বাজেটত তলত উল্লেখিত বৈশিষ্ট্যকেইটা পৰিলক্ষিত হয়।

১। বাজেট হৈছে কোনো নিৰ্দিষ্ট চৰকাৰৰ সম্ভাব্য ৰাজহ আৰু প্ৰস্তাৱিত ব্যয়ৰ এক বিৱৰণী।

২। বাজেট নিৰ্দিষ্ট সময় কাল সাধাৰণতে এবছৰৰ কাৰণে প্ৰস্তুত কৰা হয়।

৩। বাজেটে দেশৰ কাৰ্যপালিকাৰ অনুমোদন লাভ কৰাটো প্ৰয়োজন।

৪। বাজেটত অন্তৰ্ভুক্ত হোৱা প্ৰস্তাৱসমূহ স্পষ্ট হোৱাটো উচিত।

৫। ৰাজহ সংগ্ৰহৰ প্ৰক্ৰিয়া আৰু চৰকাৰী পুঁজি ব্যয়ৰ প্ৰক্ৰিয়াসমূহ বাজেটত অন্তৰ্ভুক্ত হয়।

৬। ৰাজহ আৰু ব্যয়ৰ ক্ষেত্ৰত চৰকাৰে যিবোৰ প্ৰস্তাৱ দাঙি ধৰে উক্ত প্ৰস্তাৱসমূহে দেশখনৰ অৰ্থনৈতিক লক্ষ্য পৰিপূৰণত সক্ৰিয় বৰঙণি যোগোৱাটো উচিত।

চৰকাৰী বাজেটৰ বিষয়ে উল্লেখ কৰা বৈশিষ্ট্যকেইটাই এনে বাজেটৰ প্ৰকৃতিৰ বিষয়টো পূৰ্ণাংগভাৱে প্ৰতিফলিত কৰিছে। বাজেটত চৰকাৰৰ বাৰ্ষিক আয়-ব্যয়ৰ আঁচনিসমূহ অন্তৰ্ভুক্ত হয় আৰু উক্ত আঁচনি অনুমোদনৰ অৰ্থে দেশৰ সংসদৰ ওচৰত দাখিল কৰা হয়; উল্লেখযোগ্য যে চৰকাৰী বাজেটত ৰাহি অথবা ঘাটিৰ পৰিমাণ নিৰ্ধাৰণৰ ব্যৱস্থা থকাৰ উপৰিও ৰাহি অথবা ঘাটিৰ ব্যৱস্থাটো কেনেভাৱে নিয়ন্ত্ৰণ কৰা হ'ব সেই বিষয়েও স্পষ্ট বিৱৰণ থাকে।

**বাজেটৰ বিৱৰ্তন আৰু উদ্দেশ্য (Evolution and Purposes of Budgeting) ঃ** চৰকাৰী বাজেটৰ বিৱৰ্তনৰ বিষয়ে অধ্যয়ন কৰিলে দেখা যায় যে বাজেট পদ্ধতি কেইবাটাও স্তৰৰ মাজেদি অগ্ৰসৰ হৈছে। বাজেট প্ৰস্তুতকৰণৰ প্ৰথমটো স্তৰত ইয়াৰ মুখ্য উদ্দেশ্য আছিল দেশৰ সংসদৰ ওচৰত চৰকাৰৰ যি দায়বদ্ধতা থাকে উক্ত দায়বদ্ধতা পৰিপূৰণ। জনসাধাৰণক প্ৰতিনিধিত্ব কৰিবৰ অৰ্থে দেশৰ সংসদলৈ যিবোৰ ব্যক্তি নিৰ্বাচিত হয় উক্ত ব্যক্তিসকলৰ চৰকাৰী আয়-ব্যয়ৰ বিষয়ে সম্পূৰ্ণ তথ্য আহৰণ কৰাৰ স্বত্ব থাকে। উক্ত স্বত্ব পৰিপূৰণৰ অৰ্থেই বাজেট পৰিপূৰণৰ ব্যৱস্থা এসময়ত গ্ৰহণ কৰা হৈছিল। দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাত চৰকাৰৰ দায়িত্বৰো পৰিৱৰ্তন ঘটিছে আৰু বাজেটৰ প্ৰকৃতিৰো পৰিৱৰ্তন ঘটিছে। মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাত চৰকাৰে ঘৰুৱা অৰ্থনীতিৰ পুনৰ গঠন, উন্নয়ন আৰু সুস্থিৰতা ৰক্ষা কৰাৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছে। এনে দায়িত্ব পালন কৰিবলৈ যাওঁতে বৰ্তমান চৰকাৰী বাজেটৰ প্ৰকৃতিৰো পৰিৱৰ্তন ঘটিছে। সাম্প্ৰতিক কালৰ চৰকাৰে গঠন কৰা বাজেটৰ কেইবাটাও উদ্দেশ্য আছে। উক্ত উদ্দেশ্যকেইটা হৈছে—

১। বাজেটে চৰকাৰৰ নীতি গঠনৰ অৰ্থে ভিত্তি ৰচনা কৰে। বিভিন্ন লক্ষ্য পৰিপূৰণৰ অৰ্থে কেনে ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হয় সেইবিষয়ে বাজেটত উল্লেখ থাকে। এনে লক্ষ্যসমূহ এটা আনটোৰ প্ৰতিযোগীমূলকো হ'ব পাৰে।

২। বাজেট হৈছে চৰকাৰৰ নীতি প্ৰয়োগৰ এটা উপায়। কোনো নীতি প্ৰয়োগ কৰোঁতে চৰকাৰৰ বিত্তীয় ব্যৱস্থাক কেনেভাৱে পৰিচালনা কৰিবলগীয়া হয় সেইবিষয়ে বাজেটে পথ প্ৰদৰ্শক হিচাপে কাম কৰে। বাজেট প্ৰস্তুত আৰু প্ৰয়োগৰ যি প্ৰক্ৰিয়া, উক্ত প্ৰক্ৰিয়াসমূহ চৰকাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণৰ উপাদান হিচাপে স্বীকৃতি লাভ কৰিছে।



৩। বাজেট হৈছে বিধিগত নিয়ন্ত্ৰণৰ এটা উপায়। কাৰণ বাজেট প্ৰস্তুতকৰণ আৰু প্ৰয়োগৰ পদ্ধতিৰ প্ৰতিটো স্তৰতে আইনগতভাৱে ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে নে নাই সেইবিষয়ে প্ৰশ্নৰ উত্থাপন কৰিব পৰা যায়। বিধিগত নিয়ন্ত্ৰণৰ প্ৰধান উদ্দেশ্য হৈছে কাৰ্যপালিকাৰ ক্ষমতাৰ আৰু ৰাজহুৱা পুঁজিৰ অপব্যৱহাৰ ৰোধ।

৪। বাজেট বিৱৰণী আৰু তথ্য-পাতিয়ে দেশৰ জনসাধাৰণক চৰকাৰৰ অতীতৰ কাম-কাজ, বৰ্তমানৰ সিদ্ধান্ত আৰু ভৱিষ্যতৰ সম্ভাৱনীয়তাৰ বিষয়ে তথ্যপাতিৰ যোগান ধৰে।

বাজেটৰ উদ্দেশ্যসমূহৰ বিষয়ে কৰা আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে চৰকাৰী বাজেট হৈছে চৰকাৰৰ দায়বদ্ধতা, চৰকাৰী পুঁজিৰ পৰিচালনা আৰু চৰকাৰৰ অৰ্থনৈতিক নীতি কাৰ্যকৰী কৰাৰ এটা উপায়। বাজেটৰ সহায়ত চৰকাৰী পুঁজিৰ উপযুক্ত ব্যৱহাৰৰ মাধ্যমত দেশৰ অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ ব্যৱস্থা কৰা হয়।

বাজেট সম্পৰ্কে সংস্থাপিত আৰু আধুনিক অৰ্থনীতিবিদসকলৰ দৃষ্টিভংগী সম্পূৰ্ণ পৃথক। আদাম স্মিথ আৰু জে. বি. চে'ৰ দৰে সংস্থাপিত অৰ্থনীতিবিদসকলে চৰকাৰে ঘাটি বাজেটৰ পৰিৱৰ্তে ভাৰসাম্য অথবা ৰাহি বাজেট প্ৰস্তুত কৰাতো উচিত বুলি মত পোষণ কৰিছিল। অৰ্থনীতিবিদ লুটজে' দেশৰ ৰাজহ ব্যৱস্থাৰ সুস্থিৰতা ৰক্ষাৰ্থে ভাৰসাম্য বাজেট স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সংস্থাপিত অৰ্থনীতিবিদসকলে ঘাটি বাজেটৰ সমৰ্থন নজনোৱাৰ মূলতে আছিল পূৰ্ণ নিয়োগৰ অভিধাৰণা। পূৰ্ণ নিয়োগৰ অৱস্থাত ঘাটি বাজেট প্ৰস্তুত কৰিলে কেৱল ব্যক্তিগত খণ্ডৰ পৰা চৰকাৰী খণ্ডলৈ পুঁজিৰ প্ৰবাহ ঘটে আৰু পুঁজিৰ এনে প্ৰবাহে পূৰ্ণ নিয়োগৰ অৱস্থাত এখন দেশৰ নিয়োগ আৰু উপাৰ্জনৰ সুবিধা বৃদ্ধি কৰিব নোৱাৰে।

ঘাটি বাজেটৰ প্ৰতি সংস্থাপিত অৰ্থনীতিবিদসকলৰ যি দৃষ্টিভংগী উক্ত দৃষ্টিভংগী সাম্প্ৰতিক কালৰ অৰ্থনীতিবিদসকলে গ্ৰহণ কৰা নাই। তেখেতসকলৰ মতে পূৰ্ণ নিয়োগৰ অভিধাৰণা বাস্তৱ অভিধাৰণা নহয়। কাৰণ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে উন্নত দেশেও পূৰ্ণ নিয়োগৰ অৱস্থাত উপনীত হোৱা নাই। নিবনুৱা সম্পদৰ উপস্থিতিৰ অৱস্থাত ঘাটি বাজেটৰ মাধ্যমত পূৰ্ণ নিয়োগৰ লক্ষ্যপথত অগ্ৰসৰ হ'ব পৰা যায় বুলি কীন্স, হেনচেন আৰু ডেল্টনৰ দৰে অৰ্থনীতিবিদসকলে মত প্ৰকাশ কৰিছে। ইয়াৰোপৰি অনুন্নত আৰু উন্নয়নশীল দেশসমূহত অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰতো ঘাটি বাজেটৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ।

**বাজেটৰ তাৎপৰ্য (Importance of the Budget) ঃ** সাম্প্ৰতিক কালৰ চৰকাৰৰ বিত্তীয় ব্যৱস্থাত বাজেটে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। বাজেটৰ সহায়ত এখন দেশৰ সংসদে কাৰ্যপালিকাৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰাৰ ক্ষেত্ৰত সফল হয়। ইয়াৰোপৰি বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াই চৰকাৰে দেশৰ জনসাধাৰণক উপকৃত কৰা আঁচনিসমূহত পুঁজিৰ বিনিয়োগ কৰাৰ ব্যৱস্থা কৰিছেনে নাই সেইবিষয়ে বিচাৰ কৰাৰ ক্ষেত্ৰত সংসদক সহায় কৰে। সংসদে প্ৰয়োজনবোধ কৰিলে জনসাধাৰণৰ স্বাৰ্থৰ খাতিৰত বাজেটত অন্তৰ্ভুক্ত হোৱা প্ৰস্তাৱসমূহৰ সংশোধনৰ দাবী তুলিবও পাৰে। যদি চৰকাৰৰ বিত্ত ব্যৱস্থা পৰিচালনাৰ ক্ষেত্ৰত বাজেট প্ৰস্তুত আৰু প্ৰণয়নৰ ব্যৱস্থা নাথাকে তেতিয়া চৰকাৰে স্বেচ্ছাচাৰীমূলকভাৱে ৰাজহ সংগ্ৰহ আৰু ব্যয়ৰ ব্যৱস্থা কৰিব পাৰিব। এনে

অৱস্থাত ৰাজহুৱা পুঁজিৰ অপপ্ৰয়োগ বৃদ্ধি হয় আৰু ৰাজহুৱা পুঁজিৰ অপপ্ৰয়োগ বৃদ্ধিয়ে দেশৰ অৰ্থনীতিক এক গভীৰ সংকটৰ মুখলৈ ঠেলি দিয়ে। অৰ্থাৎ বাজেট প্ৰস্তুতকৰণ আৰু অনুমোদনৰ ব্যৱস্থাৱলীয়ে ৰাজহুৱা সম্পদৰ উপযুক্ত ব্যৱহাৰৰ মাধ্যমত এখন দেশৰ অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ ক্ষেত্ৰত সহায় কৰে।

এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক নীতিৰ পৰিবৰ্তনৰ প্ৰয়োজন হয়। নতুন অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ প্ৰধান উপায় হৈছে চৰকাৰৰ বাজেট। বাজেটত অৰ্থনৈতিক সংস্কাৰৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰি নতুন অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ ব্যৱস্থা কৰা হয়। উদাহৰণস্বৰূপে এইক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা উদাৰ অৰ্থনৈতিক নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ অৰ্থে বাৰ্ষিক বাজেটত কৰ নীতি আৰু বিনিয়োগ নীতিৰ সংস্কাৰ সাধন কৰাতো ১৯৯১ চনৰ পৰৱৰ্তী কালছোৱাৰ বাজেটত পৰিলক্ষিত হৈছে। বাজেটৰ এনে ভূমিকাৰ পৰা এইটো স্পষ্ট হয় যে বাজেট হৈছে এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ এটা প্ৰধান অংগ। অৰ্থনৈতিক উন্নয়ন আৰু অৰ্থনৈতিক সুস্থিৰতা ৰক্ষাৰ উপায় হিচাপে বাজেটৰ তাৎপৰ্য সৰ্বাধিক।

বাজেট হৈছে চৰকাৰৰ বিত্ত ব্যৱস্থাৰ নিয়ন্ত্ৰণৰ এটা উপায়। দেশৰ সংসদে বাজেট প্ৰক্ৰিয়াৰ মাধ্যমত কাৰ্যপালিকাৰ বিত্তীয় ক্ষমতাৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰে। এনে নিয়ন্ত্ৰণে চৰকাৰে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা পুঁজিৰ উপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰত সহায় কৰে।

বাজেট প্ৰস্তুত আৰু প্ৰণয়নৰ ব্যৱস্থাই এখন দেশৰ জনসাধাৰণক চৰকাৰৰ আয়-ব্যয়ৰ পৰিসৰ আৰু প্ৰকৃতিৰ সম্পৰ্কে তথ্য আহৰণত সহায় কৰে। এনে তথ্যসমূহৰ ভিত্তিত জনসাধাৰণে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ কাৰ্যনিৰ্বাহৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়।

ৰাজকোষীয় নীতি প্ৰয়োগৰ উপায় হিচাপেও বাজেটৰ তাৎপৰ্য আছে। এখন দেশৰ অৰ্থনৈতিক উন্নয়ন সাধন আৰু অৰ্থনৈতিক সুস্থিৰতা ৰক্ষাৰ্থে চৰকাৰে ৰাজকোষীয় নীতি গঠন কৰে। উক্ত ৰাজকোষীয় নীতি প্ৰয়োগৰ প্ৰধান উপায় হৈছে চৰকাৰৰ বাজেট। চৰকাৰে ইয়াৰ বাৰ্ষিক বাজেটত ৰাজকোষীয় নীতিৰ লক্ষ্যসমূহ পৰিপূৰণৰ অৰ্থে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে এখন দেশে যেতিয়া মন্দাৱস্থাৰ সন্মুখীন হয়, তেতিয়া চৰকাৰী ব্যয় বৃদ্ধি কৰাতো প্ৰয়োজন হয়। এনে অৱস্থাত ঘাটি বাজেটৰ মাধ্যমত ব্যয় বৃদ্ধিৰ ব্যৱস্থা উত্তম ব্যৱস্থা হিচাপে অৰ্থনীতিবিদ কীন্সে স্বীকৃতি দিছে।

বাজেট প্ৰস্তুত আৰু প্ৰণয়নৰ ব্যৱস্থা হৈছে প্ৰশাসনিক ব্যৱস্থাৰ পৰিচালনাৰ মূল ভিত্তি। বাজেট প্ৰক্ৰিয়াৰ মাধ্যমত চৰকাৰে বিভিন্ন বিভাগৰ মাজত সহযোগ আৰু সমন্বয় স্থাপন কৰাৰ লগতে একেটা ক্ষেত্ৰতে দুটা অনুষ্ঠানৰ দ্বাৰা পুঁজিৰ ব্যৱহাৰ ৰোধ আৰু আন ক্ষেত্ৰসমূহত পুঁজিৰ অপপ্ৰয়োগ ৰোধ কৰাৰ ব্যৱস্থা কৰে। বাজেট প্ৰক্ৰিয়াৰ মাধ্যমত বিভিন্ন বিভাগৰ বাবে প্ৰয়োজন হোৱা ব্যয়ৰ হিচাপ নিৰ্ধাৰণ, পুঁজিৰ প্ৰয়োগৰ ক্ষেত্ৰত পৰিদৰ্শন, পুঁজি ব্যয়ৰ সময় নিৰ্ণয় ইত্যাদি ব্যৱস্থা কৰে। বাজেট পদ্ধতিয়ে বিভিন্ন ক্ষেত্ৰত পুঁজি ব্যয় কৰোতে যথেষ্ট সতৰ্কতা অৱলম্বন কৰাৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰে। ইয়াৰোপৰি বাজেট প্ৰক্ৰিয়াই চৰকাৰৰ আঁচনি আৰু নীতিসমূহৰ মূল্যাংকন কৰাৰ ক্ষেত্ৰতো সহায় কৰে। ৰাজহ সংগ্ৰহ আৰু ব্যয়ৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নিয়মানুবৰ্তিতাৰ বিষয়টো কেৱল বাজেট প্ৰক্ৰিয়াৰ মাধ্যমতহে সম্ভৱপৰ হয়।